**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date :13-08-2025 **Time :** 1205Hrs.

## Assamese Midday Bulletin

স্বাধীনতা দিৱসলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আলফা স্বাধীনকে ধৰি কেইবাটাও উগ্ৰপন্থী সংগঠনে এইবাৰ স্বাধীনতা দিৱস বৰ্জনৰ আহ্বান জনোৱাৰ পাছত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সময়ছোৱাত যাতে উগ্ৰপন্থী সংগঠনসমূহে কোনো ধৰণৰ কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে উজনি অসমৰ লগতে গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ বিভিন্ন স্থানত আৰক্ষীয়ে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। প্ৰতিকূল বতৰৰ মাজতো স্বাধীনতা দিৱস উদযাপনৰ বাবে আৰক্ষী, অৰ্ধ-সামৰিক বাহিনী, গৃহৰক্ষী বাহিনীকে ধৰি স্কাউট গাইডৰ দলে প্ৰতিদিনে পেৰেডৰ অনুশীলন চলাই আছে।

স্বাধীনতা দিৱসৰ পৰিপ্ৰেক্ষিতত কাছাৰ জিলা প্ৰশাসনে সীমান্ত সুৰক্ষা আৰু আইন-শৃংখলা বজাই ৰাখিবলৈ ভাৰত-বাংলাদেশ সীমান্তত যাতায়ত আৰু কিছু পণ্যসামগ্ৰী পৰিবহনৰ ক্ষেত্ৰত পথৰ নিষেধাজ্ঞা আৰোপ কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই অনুসৰি জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্তৰ ১ কিলোমিটাৰ এলেকাত সূৰ্যাস্তৰ পৰা সূৰ্য উদয়লৈকে কোনো লোকে আহ-যাহ কৰিব নোৱাৰিব। নিশাৰ ভাগত সুৰমা নদী আৰু ইয়াৰ ওখ পাৰত নাও চলাচলৰ বাধা আৰোপ কৰা হৈছে। মানকাছাৰ-বাংলাদেশ সীমান্তবৰ্তী বৰাইৰ আলগাতো আৰক্ষীয়ে ব্ৰহ্মপুত্ৰ নদীত নাওৰেৰে সুৰক্ষা ব্যৱস্থাৰ ওপৰত চোকা দৃষ্টি ৰাখিছে।

০০০০০০০

গুৱাহাটীৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানে চিকিৎসাৰ বিভিন্ন ক্ষেত্ৰত কালিৰে পৰা কাৰ্যকৰী হোৱাকৈ মাচুল বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছে। চিকিৎসা প্ৰতিষ্ঠানখনে জাননী অবিহনে হঠাৎ দহ গুণ পৰ্যন্ত চিকিৎসা মাচুল বৃদ্ধি কৰাত ৰোগী আৰু অভিভাৱকৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পূৰ্বতে চিকিৎসা প্ৰতিষ্ঠানখনত পঞ্জীয়ন মাচুল এশ টকা আছিল যদিও বৰ্তমান এই মাচুল ৩৬০ টকালৈ বৃদ্ধি কৰা হৈছে। একেদৰে জেনেৰেল বেডৰ ভাড়া ২০০ টকাৰ পৰা এহেজাৰ ৫০০ টকালৈ বৃদ্ধি কৰা হৈছে। এজনীয়া কেবিনৰ ভাড়া ৩ হাজাৰ টকাৰ পৰা ৪ হাজাৰ ৫০০ টকালৈ, শ্বেয়াৰিং কেবিন ২ হাজাৰ টকাৰ পৰা ৩ হাজাৰ টকালৈ আৰু আই চি ইউৰ ভাড়া এহেজাৰ ৫০০ টকাৰ পৰা ৪ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। তেজ পৰীক্ষাৰ মাচুল বাৰশ টকাৰ পৰা দুহেজাৰ ৪০০ টকালৈ আৰু চিটি স্কেনৰ মাচুল ৪ হেজাৰ ৫০০ টকাৰ পৰা ৬ হাজাৰ ৫০০ টকালৈ বৃদ্ধি কৰা হৈছে। উল্লেখযোগ্য যে ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত পূৰ্বতে ৰোগীৰ বাবে কেম' বিনামূলীয়া আছিল যদিও এতিয়াৰে পৰা ৮টাতকৈও অধিক ব্যয়বহুল বিনামূলীয়া কেম' ৰোগীক দিয়া বন্ধ কৰি দিয়া হৈছে। ইয়াৰ পৰিৱৰ্তে ৰোগীসকলে

এই কেম’ নিজাববীয়াকৈ ক্ৰয় কৰিব লাগিব। আনহাতে চিকিৎসা প্ৰতিষ্ঠানখনত ৰোগী ভৰ্তি হোৱাৰ সময়ত ১০ হাজাৰ টকা আগধন হিচাপে জমা দিব লাগিব। অৱশ্যে চিকিৎসালয়খনৰ কৰ্তৃপক্ষই হঠাৎ চিকিৎসা মাচুল বৃদ্ধি কৰিবলগীয়া হোৱা সন্দৰ্ভত নিজৰ স্থিতি স্পষ্ট কৰিছে।

oooooo

যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত ৰাজ্যৰ বিভিন্ন জিলাত প্ৰশাসনে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰাজ্য চৰকাৰৰ **ঘৰে ঘৰে ত্ৰিৰংগ** কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ত্ৰিৰংগ সমলয় কাৰ্যসূচী, সমদল আদিৰ আয়োজন কৰিছে। যোৰহাটৰ বিধায়ক হিতেন্দ্ৰৰ নাথ গোস্বামীয়ে আজি যোৰহাট মণ্ডল সমিতিয়ে আয়োজন কৰা **ঘৰে ঘৰে ত্ৰিৰংগ কাৰ্যসূচীত ভাগ লয়।** বিজেপিৰ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই উপলক্ষে আজি বিয়লি আয়োজন কৰা কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

oooooo

যোৱা নিশাৰে পৰা হোৱা ধাৰাষাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানত বুৰ গৈছে। মহানগৰীখনৰ নবীন নগৰ, অনিল নগৰ,লেম্ব ৰোড, ৰুক্মিনীগাওঁ, হাতীগাঁও, ৰুক্মিনীনগৰ, ৰাজগড়, চানমাৰি আদি অঞ্চলত হোৱা বানৰ ফলত পুৱাৰে পৰা যাতায়াত ব্যাহত হৈ পৰিছে। বিভিন্ন স্থানত পদপথসমূহো পানীৰে বুৰাই পেলোৱাত জনসাধাৰণৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে।

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই স্বাধীনতাৰ ৭৮ বছৰ পূৰ্ণ হোৱা উপলক্ষে প্ৰচাৰ কৰি অহা অনুষ্ঠানমালাৰ অংশ হিচাপে অহা ১৬ আগষ্ট শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

ooooo

ৰহা মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ গজেন্দ্ৰ মোহন দেৱ শৰ্মা আৰু তেওঁ পত্নী আজি পুৱা এটা পথ দুৰ্ঘটনাত কামৰূপ জিলাৰ ক্ষেত্ৰীত দেহাৱসান ঘটে। দুৰ্ঘটনাত তেওঁৰ ৮ বছৰীয়া কন্যাও আহত হয় আৰু বৰ্তমান গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

ooooo